**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-May-2026
**Time :** 1800 HRS

***Assamese Evening Bulletin***

————————————————————

## HEADLINES

::::::::::::::::::::

১। যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি প্ৰথম দিনা বিৰোধী পক্ষৰ ২৪ গৰাকী বিধায়ককে ধৰি ১২৬ গৰাকী নৱ-নিৰ্বাচিত বিধায়কৰ শপত গ্ৰহণ।

২। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীৰ ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ গুণগত মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ পৰ্যালোচনা।

৩। জন ভাগীদাৰী অভিযানৰ অংশ হিচাপে পশ্চিম কাৰ্বি আংলঙৰ বৰথলত আজি বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু সজাগতা সভা। **আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি।

ooooo

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন আজি দিছপুৰত আৰম্ভ হয়। আজি প্ৰথম দিনা অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে বিৰোধী পক্ষৰ ২৪ গৰাকী বিধায়ককে ধৰি মুঠ ১২৬ গৰাকী নৱ-নিৰ্বাচিত বিধায়কক শপতবাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰথমে শপত গ্ৰহণ কৰে। ইয়াৰ পাছতে মন্ত্ৰী ৰামেশ্বৰ তেলী, অতুল বৰা আৰু অজন্তা নেওগে শপত লয়। বিধানসভাৰ অস্থায়ী অধ্যক্ষই বিধায়কসকলৰ ইচ্ছানুসাৰে নিজৰ মাতৃভাষাত শপত ল'ব পাৰে বুলি অনুমতি দিয়ে। মন্ত্ৰী চৰণ বড়োৱে বড়ো ভাষাত আৰু বিশ্বজিৎ দৈমাৰীয়ে সংস্কৃতত শপত লয়। কাৰ্বি আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ বিধায়ককেইগৰাকীকো নিজৰ মাতৃভাষাত শপত ল'বলৈ অনুমতি দিয়া হয়।

ইয়াৰ পাছত শাসনাধিষ্ঠিত এন ডি এ মিত্ৰজোঁটৰ মনোনীত প্ৰাৰ্থী তথা ভৱানীপুৰ সৰভোগ সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিধানসভাৰ অধ্যক্ষ হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হোৱা ৰঞ্জিত কুমাৰ দাসলৈ অভিনন্দন জনায়। শ্ৰীদাসৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা, গভীৰ ৰাজনৈতিকবোধ আৰু সংসদীয় পৰম্পৰাৰ জ্ঞানে বিধানসভাৰ কাৰ্যপৰিচালনাত নতুন গতি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আস্থা ব্যক্ত কৰে।

**বাইট (চি এম)**

উল্লেখযোগ্য যে শ্ৰীদাস হৈছে দ্বিতীয়বাৰৰ বাবে বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱা প্ৰথমগৰাকী বিধায়ক। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই অসম বিধানসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাৰ বাবে ৰণজিৎ কুমাৰ দাসক অভিনন্দন জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত অধ্যক্ষগৰাকীয়ে কয়, যে শ্ৰীদাসৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা আৰু জন সেৱাৰ প্ৰতি অটল দায়বদ্ধতাই বিধানসভাৰ মৰ্যাদা আৰু গণতান্ত্ৰিক পৰম্পৰাক শক্তিশালী কৰিব।

বিধানসভাত কাইলৈ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সংবিধানৰ ১৭৬ (১) অনুচ্ছেদৰ অধীনত ভাষণ আগবঢ়াব। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ দিয়া হ'ব। ২৫ মে'ত ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্ক অনুষ্ঠিত হ'ব। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ গুণগত মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। শ্ৰী গাডকাৰীয়ে যাত্ৰীসকলৰ সুবিধাৰ্থে যোগাযোগ ব্যৱস্থা সুচল কৰাৰ বাবে উন্নত ঘাইপথ তথা বহনক্ষমতা নিশ্চিত কৰিবলৈ উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু সময়মতে কাম সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে বৰ্ষাকালৰ বাবে সুৰক্ষামূলক ব্যৱস্থাকে ধৰি সকলোধৰণৰ প্ৰস্তুতি নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমৰ জৰিয়তে লাভ কৰা তথ্যৰ ভিত্তিত তেওঁ এই ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ গুণগত মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

নতুন দিল্লীত অনুষ্ঠিত এই বৈঠকত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী অজয় তামটা আৰু হৰ্ষ মলহোট্ৰাকে ধৰি অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত দেশজুৰি চলি থকা জনভাগীদাৰী অভিযানৰ অংশ হিচাপে আজি পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অনৰ্গত বৰথলৰত বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু সজাগতাসভা অনুষ্ঠিত হয়। এই শিবিৰত বৰ্ধন আৰু ইয়াৰ কাষৰীয়া কেইবাখনো গাঁৱৰ ভালেসংখ্যক লোকৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। স্বাস্থ্যকৰ্মীৰ দলে ৰোগীসকলক প্ৰয়োজনীয় চিকিৎসা পৰামৰ্শ প্ৰদানৰ লগতে বিনামূলীয়া ঔষধ প্ৰদান কৰে। স্বাস্থ্য পৰীক্ষাৰ সমান্তৰালভাৱে যক্ষ্মা ৰোগ নিয়ন্ত্ৰণ তথা কুষ্ঠৰোগ নিবাৰণ কোষৰ উদ্যোগত বিশেষ সজাগতামূলক কাৰ্যসূচীও ৰূপায়ণ কৰা হয়।

০০০০০

দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে উৎকোচ লোৱাৰ অভিযোগত গুৱাহাটীৰ ৰূপনগৰৰ ভূমিলেখ্য তথা জৰীপ অধিকৰ্তা কাৰ্যালয়ৰ সহকাৰী সঞ্চালক লাচিত কুমাৰ দাসক গ্ৰেপ্তাৰ কৰে। সহকাৰী সঞ্চালক হিচাপে কাৰ্যভাৰ চলাই অসম অসামৰিক সেৱাৰ বিষয়াগৰাকীয়ে এজন লোকৰ পৰা নগদ ধনৰ উৎকোচ লোৱাৰ সময়তে পূৰ্বৰে পৰা সুযোগৰ অপেক্ষাত থকা দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ৰ দলে তেওঁক হাতে-লোটে ধৰা পেলায়। উল্লেখযোগ্য যে অভিযুক্ত দাসে ভূমি বিক্ৰীৰ বাবে আপত্তিবিহীন প্ৰমাণপত্ৰ প্ৰদানৰ নামত এজন লোকৰ পৰা এক লাখ টকাৰ দাবী কৰিছিল। চৰকাৰী কামৰ বাবে এনেদৰে ধন দাবী কৰাক লৈ ভুক্তভোগী লোকজনে সমগ্ৰ বিষয়টো দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ক অৱগত কৰাৰ পাছতে বিভাগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে।

০০০০০

নগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁতে নগাঁও জিলাৰ কলিয়াবৰ ৰাজহ চক্ৰৰ হাতীমূৰাত সৃষ্টি কৰা খহনীয়া পৰিস্থিতিৰ পৰ্যবেক্ষণ কৰে। খহনীয়া প্ৰতিৰোধৰ বাবে জিলা আয়ুক্তগৰাকীয়ে প্ৰতিৰোধমূলক কাম-কাজৰ তদাৰক কৰে। তেওঁ উপস্থিত বিভাগীয় বিষয়াসকলক যুদ্ধকালীন তৎপৰতাৰে খহনীয়া প্ৰতিৰোধ কৰিবলৈ আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰিবলৈ যাৱতীয় পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ দিয়ে। জিলা আয়ুক্তৰ

নির্দেশমৰ্মে জলসম্পদ বিভাগৰ ফালৰ পৰা ইতিমধ্যে খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়। জিলা আয়ুক্তগৰাকীৰ এই পৰ্যবেক্ষণকালত সম-জিলা আয়ুক্ত, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া তথা অতিৰিক্ত জিলা আয়ুক্ত, কলিয়াবৰৰ ৰাজহ চক্ৰ বিষয়া, জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তাসকলকে মুখ্য কৰি সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

ooooo

অৰুণাচল প্ৰদেশৰ পাচিঘাটৰ উদ্যান শস্য আৰু বন বিজ্ঞান মহাবিদ্যালয়ত আজিৰেপৰা তিনিদিনীয়াকৈ উত্তৰ-পূৰ্বাঞ্চলত তৈল খেজুৰৰ দ্ৰুত বিকাশৰ বাবে কৌশলগত সমাধান শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হৈছে। উত্তৰ-পূবৰ পাৰ্বত্য অঞ্চলসমূহত তৈল খেজুৰৰ খেতিৰ দ্ৰুত সম্প্ৰসাৰণৰ বাবে কৌশলগত ব্যৱস্থা গ্ৰহণ তথা বনস্পতি তেলৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰাৰ লক্ষ্যৰে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

ooooo

অসম দক্ষতা বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু তামুলপুৰ আঞ্চলিক ছাত্ৰ সন্থা তথা হেল্প এইড ইণ্ডিয়া ফাউণ্ডেচনৰ সহযোগত আজি তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সজাগতা আৰু পৰামৰ্শ কৰ্মশালা অনুষ্ঠিত হয়। যুৱ প্ৰজন্মক দক্ষতা বিকাশ আৰু আধুনিক শিক্ষাৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই কৰ্মশালাত এপ্লাইড মেনেজমেণ্ট, অভিযান্ত্ৰিক শিক্ষাৰ বিভিন্ন পাঠ্যক্ৰম, খাদ্য প্ৰযুক্তি, তথ্য প্ৰযুক্তি, পৰ্যটন আদিকে ধৰি বিভিন্ন বিভাগত কেৰিয়াৰৰ সম্ভাৱনাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰা হয়। অনুষ্ঠানত হেল্প এইড ইণ্ডিয়া ফাউণ্ডেচনৰ সঞ্চালক, তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ তথা সদৌ অসম ছাত্ৰ সন্থাৰ তথ্য সম্পাদককে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

সংস্কৃত ভাষাৰ বিদগ্ধ পণ্ডিত, প্ৰথম অসমীয়া প্ৰশাসনিক বিষয়া আনন্দৰাম বৰুৱাৰ ১৭৬ সংখ্যক জয়ন্তী উপলক্ষে আজি পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমিত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত শিক্ষা প্ৰতিষ্ঠানখনৰ অধ্যক্ষ নন্দিতা বৰ্মনে তেওঁৰ ভাষণত অসমীয়া সমাজলৈ আনন্দৰাম বৰুৱাৰ অৱদানৰ কথা সুঁৱৰি ছাত্ৰ-ছাত্ৰীসকলক তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। পণ্ডিতগৰাকীলৈ সকলো শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে শ্ৰদ্ধা নিবেদন কৰাৰ লগতে উপস্থিত বক্তাসকলে তেওঁৰ জীৱন আৰু কৰ্মৰাজীৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

গুজৰাট টাইটানছে ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে আজিৰ খেলখনত জয়লাভৰ জৰিয়তে চেন্নাই ছুপাৰ কিংছে পইণ্ট তালিকাৰ চতুৰ্থ স্থানত উপনীত হোৱাৰ আপ্ৰাণ প্ৰয়াস চলাব।

ooooo

সমাপ্ত